জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৮/২০২০

# মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাৰ ভিত্তিত দিল্লীত আৱদ্ধ অসমৰ দুগৰাকী দুৰ্গত যুৱকক উদ্ধাৰ আৰু প্ৰয়োজনীয় আশ্ৰয়ৰ ব্যৱস্থা

## অসম ভৱন কৰ্তৃপক্ষই চিকিৎসাকে ধৰি প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিলে দুৰ্গত যুৱকদ্বয়ক

**দিছপুৰ, ১৪ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশৰ ভিত্তিত আজি নতুন দিল্লীৰ অসম ভৱনৰ আৱাসিক আয়ুক্তই লকডাউনৰ ফলত নতুন দিল্লী ষ্টেশ্যনৰ সমীপত আৱদ্ধ হৈ থকা অসমৰ দুগৰাকী যুৱকক উদ্ধাৰ কৰি অসম ভৱনত আশ্ৰয় প্ৰদান কৰিছে।

উল্লেখ্য যে লখিমপুৰ জিলাৰ পহুমৰা গাঁৱৰ সন্তোষ বৰা নামৰ এগৰাকী যুৱকে ক'ৰণা ভাইৰাছৰ প্ৰাদুৰ্ভাৱৰ বাবে সমগ্ৰ দেশব্যাপী আৰোপ কৰা লকডাউন পৰ্যন্ত অমৃতসৰৰ এক কৃষি খণ্ডত নিয়োজিত হৈ আছিল। কিন্তু লকডাউনৰ ফলত অৰ্থনৈতিক কাম-কাজ বন্ধ হৈ পৰাত তেওঁ নতুন দিল্লীলৈ পদব্ৰজে ৰাওনা হৈছিল। নতুন দিল্লী পোৱাৰ পিছত তেওঁ অৰ্থৰ অভাৱৰ বাবে অসমলৈ আহিব পৰা নাছিল। ইপিনে লখিমপুৰ জিলাৰে ৰাজা দলে নামৰ আন এগৰাকী যুৱকে নতুন দিল্লীত দিন মজুৰি কৰি জীৱন নিৰ্বাহ কৰি আছিল। উক্ত যুৱকগৰাকীয়ে অৰ্থনৈতিক সংকটৰ বাবে নিজ গৃহলৈ আহিব পৰা নাছিল। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই বাতৰি লাভ কৰি আজি তাৎক্ষণিক ভাবে নতুন দিল্লীৰ অসম ভৱনৰ প্ৰধান আৱাসিক আয়ুক্তগৰাকীক এই যুৱকদ্বয়ক উদ্ধাৰ কৰি প্ৰয়োজনীয় সা-সুবিধা প্ৰদানৰ নিৰ্দেশ দিছিল।

মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাৰ ভিত্তিতে আজি অসম ভৱনৰ এটা দলে যুৱকদ্বয়ক উদ্ধাৰ কৰি ৰাম মনোহৰ লোহিয়া হাস্পতালত স্বাস্থ্য পৰীক্ষা কৰি অসম হাউচত আশ্ৰয় প্ৰদান কৰিছে।তেওঁলোকৰ স্বাস্থ্য পৰীক্ষাৰ প্ৰতিবেদন লাভ নকৰা পৰ্যন্ত আছাম হাউচতে ৰখা হ'ব আৰু অসমলৈ প্ৰত্যাৱৰ্ত্তনৰ দৰে পৰৱৰ্তী পদক্ষেপ এই প্ৰতিবেদন লাভ কৰাৰ পিছত লোৱা হ'ব।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**১৪/৫/২০২০**